**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ সপ্তম বিষয় ঃ ভাষা-১ (অসমীয়া) চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

⇨ ছাত্ৰ-ছাত্ৰীয়ে কাল আৰু পুৰুষবাচক বিভক্তিৰ বিষয়ে জানিব পাৰিব।

⇨ সমাসৰ সংজ্ঞাৰ লগতে সমাসৰ বিভিন্ন ভাগসমূহৰ জ্ঞান আহৰণ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে কথন আৰু লিখন শৈলীৰ সমাস, কাল আৰু পুৰুষবাচক বিভক্তিৰ যথাযথ প্ৰয়োগ কৰি ভাষাৰ ব্যাৱহাৰিক মান উন্নীত কৰিব পাৰিব।

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰসমূহ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে কাল আৰু পুৰুষবাচক বিভক্তিৰ বিষয়ে জানিব পাৰিব।

⇨ সমাস আৰু ইয়াৰ বিভিন্ন ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

⇨ সমাসবাচক পদৰ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | |
|---|---|
| ক) নোকোৱাৰ পৰিণাম | - পাঠ নং ১৫ |
| খ) হামাহি | - পাঠ নং ১৬ |
| গ) সোণতকৈ নহয় কম সঞ্চয়ৰ ধন | - পাঠ নং ১৭ |
| ঘ) কণ্ঠে কণ্ঠে | - পাঠ নং ১৮ |

**পাতনি ঃ**

'শিক্ষাৰ অধিকাৰ আইন-২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম সকলো শিশুৰ নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। ছাত্ৰ-ছাত্ৰীৰ আগৰ জ্ঞানৰ ভিত্তিত দেখা গৈছে যে ব্যাৱহাৰিক ব্যাকৰণৰ দক্ষতা আহৰণত সপ্তম শ্ৰেণীৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পিছপৰি আছে। ব্যাকৰণৰ শুদ্ধতাই ভাষাৰ ব্যাৱহাৰিক উৎকৰ্যতা সাধন কৰে, ভাষাৰ লালিত্য, মাধুৰ্যতা উপলব্ধি কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰে। সেয়ে ক'ব পাৰি ভাষা এটা ভালদৰে জানিবলৈ, ক'বলৈ আৰু লিখিবলৈ হ'লে ব্যাকৰণৰ, বিশেষকৈ ব্যৱহাৰিক ব্যাকৰণৰ জ্ঞান থকাতো অপৰিহাৰ্য। যিমানে ব্যাকৰণৰ জ্ঞান আহৰণ কৰিব পাৰিব, যিমানেই ভাষাটো বলিষ্ঠভাৱে প্ৰকাশ কৰিব পাৰিব। ব্যাকৰণৰ বিভিন্ন ভাগবোৰৰ ভিতৰত বাক্যত কাল আৰু গুৰুষবাচক বিভক্তিৰ প্ৰয়োগ আৰু সমাসৰ ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ খোকোজা থকা দেখা গৈছে।

সেয়েহে এই সমল সামগ্ৰীত ব্যাৱহাৰিক ব্যাকৰণৰ কৌশলৰ বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীয়ে এই সমল সামগ্ৰীৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ বাক্যত কাল আৰু পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰৰ বিষয়ে জানিব।

⇨ উপযুক্ত সমাসযুক্ত শব্দ প্ৰয়োগ কৰি কম কথাতে অধিক অৰ্থপূৰ্ণ বাক্য লিখাৰ দক্ষতা অৰ্জন কৰিব পাৰিব।

⇨ কাল আৰু পুৰুষবাচক বিভক্তি আৰু সমাসৰ ব্যৱহাৰৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীৰ ভাষা ব্যৱহাৰৰ দক্ষতা বৃদ্ধি কৰিব।

**সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ ইয়াৰ দ্বাৰা আমি শ্ৰেণীকোঠাত ব্যাৱহাৰিক ব্যাকৰণ কেনেদৰে প্ৰয়োগ কৰিব লাগে সেই বিষয়ে জানিব পাৰিম।

⇨ বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপৰ জৰিয়তে 'কাল আৰু পুৰুষবাচক বিভক্তি' আৰু 'সমাস'ৰ প্ৰয়োগ কৰি ভাষাৰ কথন শৈলী বা লিখন শৈলীৰ মান আমি কেনেদৰে উন্নীত কৰিব পাৰো সেই বিষয়ে জানিব পাৰিম।

⇨ সমাস, কাল আৰু পুৰুষবাচক বিভক্তিৰ জ্ঞান আহৰণ কৰি আৰু ইয়াৰ যথাযথ প্ৰয়োগেৰে অসমীয়া ভাষাৰ স্বকীয়তা বজাই ৰাখিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন কৰিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সমাস, সমাসৰ বিভিন্ন ভাগ আৰু ইয়াৰ লগতে কাল আৰু পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰ কৰি প্ৰকাশ শৈলীৰ মান উন্নীত কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ সমাসৰ ধাৰণা জন্মাবলৈ বিশেষ ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰা।

⇨ সমাসৰ ব্যৱহাৰ কৰি সৃজনীমূলক লিখনিত সেইবোৰ ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰীক দক্ষ কৰা।

⇨ কাল আৰু পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰৰ বিষয়ে অনুশীলন কৰিব পৰা।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল—**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) সমাসৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব, অৰ্থ বুজি পাব। | বোৰ্ড, চক পেঞ্চিল | দলগত/ ব্যক্তিগত প্ৰক্ৰিয়া | ১) তলৰ শব্দকেইটাৰ ব্যাসবাক্য লিখা — চক্ৰপাণি; কৃষ্ণাৰ্জুন<br>২) সমস্তপদ লিখা —<br>দুই মাহৰ সমাহাৰ | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |
| ২) সমাস ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰিব পাৰিব। | ব্যাকৰণ পুথি, পাঠ্যপুথিৰ অন্তৰ্গত ব্যাকৰণ | দলগত/ ব্যক্তিগত প্ৰক্ৰিয়া | ৩) তলত দিয়া সমাসবদ্ধ পদ প্ৰয়োগ কৰি বাক্য লিখা—<br>— নীলাম্বৰ<br>— পীতাম্বৰ | |
| ৩) বাক্যত কাল আৰু পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰৰ বিষয়ে জানিব | কাল আৰু পুৰুষবাচক বিভক্তিৰ তালিকা | ব্যক্তিগত প্ৰক্ৰিয়া | ৪) প্ৰথম পুৰুষত নিত্য বৰ্তমান কালত 'ক' ধাতুৰ ৰূপ লিখা<br>৫) তৃতীয় পুৰুষৰ তিনিওটা কালত 'যা' ধাতুৰ ৰূপ কি হ'ব লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

শ্ৰীযুত ভাস্কৰ বৰ্মন ডিব্ৰুগড় জিলাৰ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ভাষাৰ শিক্ষক। ভাষা শিকনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে যিবোৰ সমস্যাৰ সন্মুখীন হয়, সেই সমস্যাবোৰ সমাধান কৰিবলৈ তেখেতে সদায় আন শিক্ষকতকৈ সুকীয়া চিন্তা কৰে। তেখেতে এই কথা অতি ভালদৰে উপলব্ধি কৰে যে ছাত্ৰ-ছাত্ৰীয়ে যদি প্ৰাথমিক/উচ্চ প্ৰাথমিক পৰ্যায়তে ব্যাকৰণৰ নীতি-নিয়মসমূহ ভালদৰে আয়ত্ত কৰি ল'ব নোৱাৰে, তেতিয়া উচ্চ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ 'সমাস, 'কাল' আৰু 'পুৰুষবাচক' বিভক্তি' শিকাত যথেষ্ট সমস্যাৰ সন্মুখীন হয়। এই সমাধান কৰিবলৈ তেখেতে কেনেধৰণে ক্ৰিয়া-কলাপ প্ৰস্তুত কৰি পাঠ আদান-প্ৰদান কৰিছিল সেই বিষয়ে তেখেতৰ পৰাই জানোঁ আহক—

**প্ৰস্তুতি ঃ**

ছাত্ৰ-ছাত্ৰীক 'সমাস'ৰ ধাৰণা দিবলৈ মই প্ৰস্তুত কৰি লৈছিলোঁ —

১) সমাসৰ সংজ্ঞা আৰু সমাসৰ ভাগসমূহৰ তালিকা।

২) সমাসযুক্ত পদৰ তালিকাৰ লগতে সমস্ত পদ, ব্যাস বাক্যৰ ভাগসমূহৰ তালিকা।

উল্লিখিত সামগ্ৰীসমূহ লগত লৈ শ্ৰেণীকক্ষত প্ৰৱেশ কৰি বোৰ্ডত, পদ্মপাণী, গদাপাণি, ত্ৰিভূজ, শূৰ্পনখা, নাওপেটা আদি কেইটামান শব্দ লিখি দি ছাত্ৰ-ছাত্ৰীক অৰ্থ লিখিবলৈ দিলোঁ। দুই এজন ছাত্ৰ-ছাত্ৰীক বাদ দি সৰহ সংখ্যকে অৰ্থ লিখিব নোৱাৰিলে। তাৰ পিছত তালিকাৰ সহায়ত সমাসৰ সংজ্ঞা, সমস্ত পদ, ব্যাস-বাক্য কি, সমাসৰ ভাগসমূহ কি কি বিষয়ে বুজাই ক'লোঁ। এই ক্ষেত্ৰত শ্ৰেণীৰ ওজা ছাত্ৰজনৰ সহায় ল'লোঁ। পাঠ্যপুথিৰ পাঠ নং-১৭, 'সোণতকৈ নহয় কম সঞ্চয়ৰ ধন'ৰ সহায় ল'লোঁ। দল গঠন কৰি, সমাসযুক্ত পদৰ তালিকা প্ৰস্তুত কৰি, তাৰ পৰা কোনটো শব্দ কি সমাসৰ ভাগত পৰিব — সেয়া দলক বাছি উলিয়াবলৈ দিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে দলত আলোচনা কৰি সমাসৰ ধাৰণা বুজি পালে আৰু গৃহকৰ্ম হিচাপে প্ৰত্যেককে পাঠ নং-১৭ৰ আধাৰত সেই পাঠৰ সমাসবদ্ধ পদবোৰ বাছি উলিয়াই তাৰ পৰা সমস্ত পদ, ব্যাস বাক্য বাছি উলিয়াব দিলোঁ।

সেইদৰে পাঠ নং-১৬ 'হামাহি'ৰ আধাৰত ছাত্ৰ-ছাত্ৰীক আগৰ শ্ৰেণীত পাই অহা 'কাল আৰু পুৰুষবাচক বিভক্তি'ৰ ধাৰণা গাঢ় কৰিবলৈ চেষ্টা কৰিলোঁ। তাৰ বাবে উক্ত পাঠৰ আধাৰত, ধাতুবোৰত কাল আৰু পুৰুষবাচক বিভক্তিবোৰ কেনেদৰে লগ লাগে সেয়া, বিভক্তি চিনৰ তালিকাৰ সহায়ত বুজাই দিলোঁ আৰু পাছত ছাত্ৰ-ছাত্ৰীসকলক ধাতু ৰূপ 'কৰ'টো বোৰ্ডৰ লিখি দি, সেইটোত কাল আৰু পুৰুষবাচক বিভক্তিবোৰ লগ লগাবলৈ দিলোঁ।

এনেদৰে সমাস, কাল আৰু পুৰুষবাচক বিভক্তি সম্পৰ্কে প্ৰায় ৩-৪ দিন পাঠ আদান-প্ৰদান কৰাৰ পাছত দেখা গ'ল যে ছাত্ৰ-ছাত্ৰীয়ে সমাস, কাল আৰু পুৰুষবাচক বিভক্তিৰ বিষয়ে ভালদৰে জ্ঞান আহৰণ কৰিব পৰা হৈছে। শুদ্ধভাৱে নিজৰ কথন, লিখন শৈলীৰ যথোপযুক্তভাৱে প্ৰয়োগ কৰিব পৰা দক্ষতা আহৰণ কৰিছে।

**চিন্তা কৰি চাওঁ আহক ঃ**

১) শ্ৰীযুত ভাস্কৰ বৰ্মন ছাৰে দল গঠন কৰি শ্ৰেণীকাৰ্য পৰিচালনা কৰাৰ ফলত তেখেতৰ কি কি ধৰণৰ সুবিধা হৈছিল?

২) ওজা ছাত্ৰৰ ব্যৱহাৰে শ্ৰেণীকাৰ্য পৰিচালনাৰ তেখেতক কেনেদৰে সহায় কৰিছিল?

৩) আমিও শিকন ফলাফলৰ দুৰ্বলতা আঁতৰাবলৈ নতুন ক্ৰিয়া-কলাপ ল'ব নোৱাৰো নে?

**ক্ৰিয়া-কলাপ ঃ**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ, শ্ৰীভাস্কৰ বৰ্মন ছাৰে কৰাৰ দৰে, আমিও ক্ৰিয়া-কলাপ কৰিব পাৰোঁ নেকি চাওঁ আহক—

প্ৰথমতে লওঁ,

পশু আৰু পক্ষী, নীলা কাপোৰ পিন্ধে যিয়ে,
গুৰুলৈ ভক্তি, ভাই আৰু ককাই, দুই মাহৰ সমাহাৰ

ইয়াৰ পাছত লওঁ —

পদ্ম আছে নাভিত যাৰ এই ব্যাস বাক্য বোৰ্ডত এফাল লিখি দিব আৰু বোৰ্ডৰ আনফালে পশু-পক্ষী, নীলাম্বৰ, গুৰু ভক্তি, ভাই-ককাই, দোমাহী, পদ্মনাভ আদি সমস্ত পদবোৰ ওলট-পালটকৈ লিখি দিব। তাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীক বোৰ্ডৰ পৰা ব্যস্ত পদবোৰৰ লগত সমস্ত পদবোৰ মিলাই লিখিব দিলে আৰু কোনটো কি সমাস লিখিব দিলে। তাৰ পিছত, কাল আৰু পুৰুষবাচক বিভক্তিৰ বাবেও ক্ৰিয়াকলাপ কৰিব দিলে।

তেওঁ 'যা', 'খা' ধাতুৰ কাল আৰু পুৰুষ অনুযায়ী ৰূপবোৰ কি হয় লিখিবলৈ দিলে।

তাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ বহীবোৰ সংগ্ৰহ কৰি পুনৰীক্ষণ কৰিলে।

***বিঃ দ্ৰঃ- শ্ৰেণীকোঠাত বিশেষভাৱে সক্ষম দুজন ছাত্ৰ আছিল। তেওঁ সিহঁতকো বাৰে বাৰে বুজাই বিষয়টো জানিবলৈ উৎসাহিত কৰিলে।***

**সাৰাংশ ঃ**

**এনে কাৰ্য কলাপৰ ফলত**

১) ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয় দুটা স্পষ্ট হ'ব।

২) ব্যাকৰণৰ দুটা বিষয় বুজি কথন আৰু লিখনত ইয়াৰ ব্যৱহাৰ কৰিব পাৰিব।

৩) কাল আৰু পুৰুষবাচক বিভক্তিৰ লগতে সমাসৰ ব্যৱহাৰ কৰি বাক্য শুদ্ধকৈ ব্যৱহাৰ কৰিবলৈ জানিব।

**দৃঢ়ীকৰণ ঃ**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নটোৰ উত্তৰ দিয়া—

১) সমাস কাক বোলে?

**প্ৰশ্ন ২ ঃ** তলত দিয়া বাক্যকেইটিৰ ক্ৰিয়াৰ কাল চিনাক্ত কৰা—

১) মই ভাত খাই আছোঁ।

২) তেওঁ আৰু মই কাইলৈ গুৱাহাটীলৈ যাম।

৩) তহঁতে কিয় তেওঁক তেনেকৈ কৈছিলি?

**প্ৰশ্ন ৩ ঃ** ওপৰৰ বাক্যকেইটাত থকা 'মই', 'তেওঁ', 'তহঁতে'— এই তিনিটা শব্দৰ কোনটোৰ কি বুজাইছে লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

**প্ৰশ্ন ৪ ঃ** তলৰ বাক্যটোৰ আঁচটনা শব্দটোত কি বিভক্তি যোগ হৈ আছে, চিনাক্ত কৰা—

মই ৰজাৰ ঘৰত থাকোঁ।

১) তলৰ শব্দকেইটাৰ ব্যাস বাক্য লিখা—
চক্ৰপাণি, কৃষ্ণাৰ্জুন

২) তলৰ ব্যাস বাক্য দুটাৰ সমস্ত পদ লিখা —
দুই মাহৰ সমাহাৰ, গদা আছে পাণিত যাৰ

৩) তলত দিয়া সমাস বাক্য প্ৰয়োগ কৰি বাক্য লিখা—
নীলাম্বৰ, পীতাম্বৰ

৪) সমস্যমান পদ লিখা—
শুক্লবস্ত্ৰ, কৃষ্ণপক্ষ।

৫) প্ৰথম পুৰুষত নিত্য বৰ্তমান কালত 'কৰ' ধাতুৰ ৰূপ লিখা।

৬) তৃতীয় পুৰুষত তিনিওটা কালত 'যা' ধাতুৰ ৰূপ কি হ'ব লিখা।

**প্ৰসংগ পুথি ঃ**

⇨ নতুন পাঠ (সপ্তম শ্ৰেণী)

⇨ অসমীয়া ব্যাকৰণ জ্যোতি।

⇨ চন্দ্ৰকান্ত অভিধান।

⇨ প্ৰয়োগ ভাষা-বিজ্ঞান।

******